# এটি পৰিয়ালে তেওঁলোকৰ ঘৰত যীচুৰ উপাসনা কৰিছিল

তলত দিয়া লৰা-ছোৱালীৰ যিকোনো কাম-কাজ বাচি লওঁক।

**প্ৰাৰ্থনা ঃ** প্ৰিয় প্ৰভু, বিশ্বাসীবিলাকে তেওঁলোকৰ ঘৰত লোকবিলাকক গোটাই যীচুৰ কথা আৰু তেওঁৰ উপাসনা কৰিবলৈ পাৰে, তাৰ বাবে সহায় কৰক।

পাঁচনিৰ কৰ্ম্ম **১৬:২২-৩৬ পদ** কেইটা শিক্ষক অথবা এজনে **ডাঙৰ লৰা বা ছোৱালীক পঢ়িবলৈ** অথবা গল্পটি মুখস্থ কৰলৈ কওঁক। এটা পৰিয়ালে কি দৰে তেওঁলোকৰ ঘৰত ঈশ্বৰৰ আৰাধনা কৰিছিল তাকে এই কথাখিনিয়ে কয়।



গল্পটি পঢ়া বা কোৱা পিছত তলত দিয়া প্ৰশ্নকেইটা সোধক। *(প্ৰত্যেক প্ৰশ্নৰ পিছতে উত্তৰ দিয়া আছে।)*

- বিচাৰকৰ্ত্তাসকলে পৌল আৰু চীলক কেনে ব্যৱহাৰ কৰিছিল? *(২৩-২৪ পদ)*
- পৌল আৰু চীলে মাজৰাতি বন্দীশালত কি কৰিছিল? *(২৫ পদ)*
- দাৰোগাই কিয় আত্মঘাতি হবলৈ ইচ্ছা কৰিছিল? *(২৬-২৭ পদ)*
- দাৰোগাই কেনেকৈ তেওঁৰ আৰু পৰিয়ালৰ নিমিত্তে পৰিত্ৰাণ পাইছিল? *(৩১ পদ)*
- ৰাতিৰ কিমান পৰত ফাটেকৰ দাৰোগা আৰু তেওঁৰ পৰিয়ালে বাপ্তিস্ম হৈছিল? *(২৫, ৩২-৩৪ পদ)*

ফাটেকৰ দাৰোগা আৰু তেওঁৰ পৰিয়ালৰ গল্পটিৰ কিছু অংশ **নাটক কৰক**।

- প্ৰধান উপাসনাৰ চলাওঁতাৰ লগ লাগি লৰা-ছোৱালীয়ে এই নাটক পৰিবেশন কৰাৰ ব্যৱস্থা কৰক।
- নাটকখন যুগুত কৰোঁতে লৰা-ছোৱালীৰ লগত সময় দিয়ক। আপুনি গোটেই অংশ কৰাৰ প্ৰয়োজন নাই।
- নাটকখন প্ৰস্তুত কৰাত ডাঙৰ ল'ৰা-ছোৱালীয়ে সৰুবোৰক সহায় কৰক।
- **ডাঙৰ ল'ৰা-ছোৱালী** অথবা বয়সীয়া সকলক তলত দিয়া ভাও কেইটাৰ ভাগ দিয়ক ঃ

  **পৌল**

  **ফাটেকৰ দাৰোগা**। দুডাল শিকলিৰ বাবে ৰচি বিচাৰি লওঁক। আৰু তৰোৱাল বুজাবলৈ কিবা এটা।

  **বৰ্ণনাকাৰী ঃ** গল্পটো সংক্ষেপে কওঁক। টেবুল এখনৰ কাষত এদম শিল অথবা কিতাপবোৰ থব।
- **চীল, বিচাৰকৰ্তা, বন্দীয়াবোৰ** আৰু **দাৰোগাৰ পৰিয়াল সৰু ল'ৰা-ছোৱালীক** এই ভাওৰ ভাগ দিয়ক।

**বৰ্ণনাকাৰী ঃ** পাঁচনিৰ কৰ্ম্ম ১৬:২২-২৮ ৰ পৰা গল্পটোৰ প্ৰথম ভাগ কওঁক। এতিয়া কওঁক, বিচাৰকৰ্ত্তাই কি কৈছে শুনক।

**বিচাৰকৰ্ত্তা ঃ** দাৰোগা। পৌল আৰু চীলক কাৰাগাৰত থওঁক। আৰু সাৱধানে তেওঁলোকক ৰখি থাকক।

**দাৰোগা ঃ** শিকলিৰে তেওঁলোকৰ ভৰিৰ গাঁঠি মেৰিয়াই থওঁক (গাঠি নামাৰিব) এতিয়া কওঁক, মই মোৰ ভিতৰৰ কোঠাত শিকলিৰে বান্ধি মোৰ জীৱন দিওঁ সিহঁতক পহৰা দিম।

**পৌল আৰু চীল ঃ** এখন মেজৰ তলত বহি গীত গাই থাকে

**দাৰোগা ঃ** ভূমিকম্প! (মেজখন লৰাই দিয়ক যেন তাত থকা শিল অথবা কিতাপবোৰ পৰি যায়)

**পৌল আৰু চীল ঃ** শিকলি খুলি থিয় হয়।

**বন্দীয়াৰবিলাক ঃ** আমি মুক্ত ঃ দুৱাৰেবোৰ খোলা।

**দাৰোগা ঃ** তৰোৱাল উলিয়াই কয়, হায় হায়, বন্দীয়াৰবোৰ মুক্ত, মই নিজকে বধ কৰা উচিত।

**পৌল ঃ** চিঞৰি কয়, নহয়, মহাশয়, নিজকে নামাৰিব, আমি আটাইবোৰ ইয়াতে আছোঁ।

**বৰ্ণনাকাৰী ঃ** পাঁচনিৰ কৰ্ম্ম ১৬:২৯-৩৬ ৰ পৰা গল্পটিৰ দ্বিতীয় খণ্ড কওঁক। এতিয়া কওঁক, দাৰোগাই কি কয়, শুনক।

**দাৰোগা ঃ** চাকি এটি আনা। মই পৌল আৰু চীলক চাবলৈ ইচ্ছা কৰোঁ। তাৰ পিছত পৌল আৰু চীলৰ আগত আঁঠু লৈ চিঞৰি কয়, পৰিত্ৰাণ পাবলৈ মই কি কৰিব লাগে?

**পৌল ঃ** প্ৰভু যীচুত বিশ্বাস কৰা, তেহে তুমি আৰু তোমাৰ ঘৰৰ সকলোৱে পৰিত্ৰাণ পাবা।

**দাৰোগাৰ পৰিয়াল ঃ** আমিও যীচুত বিশ্বাস কৰিবলৈ ইচ্ছা কৰো।

**দাৰোগা ঃ** আপোনালোকৰ ঘাবোৰ মোক ধুবলৈ দিয়ক। আৰু আমি আটাইয়ে আজি ৰাতি বাপ্তিম লম।

**বৰ্ণনাকাৰী ঃ** পাঁচনিৰ কৰ্ম্ম ১৬:৩৪-৩৬ ৰ পৰা গল্পটিৰ তৃতীয় খণ্ড কওঁক। এতিয়া কওঁক, পৌল আৰু চীলক দাৰোগাই কি কৈছে শুনক।

**দাৰোগা ঃ** মই আনন্দৰে পৰিপূৰ্ণ হৈছো কাৰণ মোৰ পৰিয়ালৰ সকলোৱে যীচুক বিশ্বাস কৰি বাপ্তাইজত হ'ল। আহক। আমাৰ লগত আহাৰ কৰকহি।

**বিচাৰকৰ্ত্তা ঃ** মেজৰ ওপৰত টুকুৰিয়াই কয়, শুভ ৰাতিপুৱা। পৌল আৰু চীলক আপুনি এতিয়া যাবলৈ এৰি দিব পাৰে।

**দাৰোগা ঃ** হে ভাইসকল, যীচুৰ শুভবাৰ্তা মোৰ পৰিয়াললৈ অনাৰ নিমিত্তে মই আপোনালোকলৈ ধন্যবাদ জ্ঞাপন কৰো। শান্তিৰে যাওঁক।

**বৰ্ণনাকাৰী ঃ** নাটক পৰিৱেশনৰ অন্তত সহায় কৰা আটাইকে ধন্যবাদ দিয়ক।

**প্ৰশ্নবোৰ ঃ** ল'ৰা-ছোৱালীয়ে যদি নাটকখন বয়সীয়া সকলক দেখুৱালে, তেনেহলে তেওঁলোককো ওপৰত দিয়া প্ৰশ্নবোৰ সুধিবলৈ দিয়ক।

**ল'ৰা-ছোৱালীক প্ৰশ্ন কৰক ঃ** আমাৰ ঘৰবোৰত ঈশ্বৰৰ উপাসনা আৰু তেওঁৰ পৰিচৰ্য্যা কৰা আন আন উদাহৰণবোৰ কি?

আপোনাৰ চহৰৰ দৃষ্টান্তস্বৰূপ এটি ঘৰৰ এখন **ছবি আঁকক**। ল'ৰা-ছোৱালীক এই ছবিখন আঁকিবলৈ দিয়ক আৰু উপাসনাৰ সময়ত বয়সীয়াসকলক দেখুৱা উক আৰু বৰ্ণনা কৰক যে আমি ঘৰত অথবা যি কোনো ঠাইতে ঈশ্বৰৰ উপাসনা কৰিব পাৰোঁ।



যোহন ৪:২৪ পদ **মুখস্থ কৰক ঃ**

**পদ্য ঃ** গীতমালা ১৩৬:১-৬ ৰ পৰা দুটাকৈ পদ বা তিনিটা ল'ৰা-ছোৱালীক আবৃতি কৰিবলৈ দিব। প্ৰত্যেকটো পদৰ পিছত গোটেই দলটোক এই কথাফাকি কবলৈ দিব, তেওঁৰ প্ৰেম চিৰকাললৈকে থাকে।

ঘৰত গোট খাই উপাসনা কৰাৰ পদ্য অথবা গীত **বয়সীয়া ল'ৰা-ছোৱালীক লিখিবলৈ দিয়ক।**

**প্ৰাৰ্থনা ঃ** প্ৰিয় প্ৰভু, আপোনাক ধন্যবাদ, কাৰণ আমি যিকোনো ঠাইত আৰু যিকোনো সময়তে আপোনাৰ উপাসনা কৰিব পাৰোঁ। আমি নিচেই তাকৰীয়া গোট হলেও কোনো কথা নাই। আমাৰ গোটেই পৰিয়ালক আপোনালৈ অনা বাবে আপোনাক ধন্যবাদ। আমাৰ সকলো অন্তৰৰে আপোনাৰ আৰাধনা কৰিবলৈ আমাক সহায় কৰক।

***If you teach children and have not yet read P-T study Guidelines for Childrenís Teachers, A0b, please do so now.***

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net